**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-10-2024 **Time :** 1205 Hrs.

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ’ কনফাৰেঞ্চিং ব্যৱস্থাৰে ৫১ হাজাৰৰো অধিক নৱনিযুক্ত প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কয় যে যুৱক-যুৱতীসকলক স্থায়ী চৰকাৰী চাকৰি প্ৰদানৰ প্ৰচেষ্টা অব্যাহত আছে। তেওঁ কয় যে দেশৰ যুৱ-প্ৰজন্মক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। গুৱাহাটী সহ দেশৰ ৪০টা স্থানত আজি ৰোজগাৰ মেলাৰ আয়োজন কৰা হয়।কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰেক্ষাগৃহত আয়োজিত এই মেলাত উপস্থিত থাকে।

এই ৰোজগাৰ মেলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিয়োগ সৃষ্টিৰ অগ্ৰাধিকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। এনে ধৰণৰ মেলাই দেশৰ যুৱ প্ৰজন্মক ৰাষ্ট্ৰৰ নিৰ্মাণত অৰিহণা যোগাবলৈ সুবিধা প্ৰদান কৰে। নতুনকৈ নিযুক্তি পোৱা প্ৰাৰ্থীসকলে iGOT কৰ্মযোগী প’ৰ্টেলৰ যোগেদি অনলাইন মাধ্যমেৰে প্ৰাথমিক প্ৰশিক্ষণ গ্ৰহণ কৰাৰ সুবিধা ল’ব পাৰিব। দেশৰ যুৱ প্ৰজন্মই বিকশিত ভাৰত নিৰ্মাণৰ দিশত প্ৰয়োজনীয় দক্ষতা আৰু নিয়োগৰ সুবিধা লাভ কৰাৰ বাবে এহেজাৰ ৪০০ ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম এই কৰ্মযোগী প’ৰ্টেলৰ জৰিয়তে গ্ৰহণ কৰিব পাৰিব।

oooooooo

———চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আজি দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ ষ্টেডিয়ামত আয়োজিত কাৰ্যসূচীত গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰে।

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সৈতে আয়োজন কৰা কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে।

আনহাতে, মহানগৰীৰ লতাশিল খেলপথাৰত অনুষ্ঠিত একতাৰ দৌৰ কাৰ্যসূচীত ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচা, ৰাজ্যৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধানসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

শিৱসাগৰ জিলাত একতাৰ দৌৰ কাৰ্যসূচীত ৭০০ ৰো অধিক ছাত্ৰ-ছাত্ৰী, স্কাউট এণ্ড গাইড, এন চি চি, কেন্দ্ৰীয় আৰু ৰাজ্যিক আৰক্ষী বাহিনীৰ বিষয়া-জোৱান, খেলুৱৈ আদিয়ে অংশগ্ৰহণ কৰে। আনহাতে, তিনিচুকীয়া থানা চাৰিআলিৰ পৰা আৰম্ভ হোৱা একতাৰ দৌৰ কাৰ্যসূচীত ৰাজ্য মন্ত্ৰী সঞ্জয় কিষাণে অংশগ্ৰহণ কৰে। যোৰহাট জিলা আৰক্ষী অধীক্ষকৰ উদ্যোগত জিলাখনৰ বিভিন্ন আৰক্ষী চকীতো এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

ooooooo

বৰপেটা জিলাৰ চাৰিটা বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সংবাদমেলত অতিৰিক্ত জিলা আয়ুক্ত মৌচুমী চেতিয়াই সদৰী কৰা অনুসৰি খচৰা তালিকাত ৯ লাখ ৩০ হাজাৰ ২৪৮ গৰাকী ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈছে। ইয়াৰে ৪ লাখ ৭৯ হাজাৰ ১৮৫ জন পুৰুষ ভোটাৰ আৰু ৪ লাখ ৫১ হাজাৰ ৪৫ গৰাকী মহিলা ভোটাৰ । আনহাতে জিলাখনত ১৮ গৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে। অতিৰিক্ত আয়ুক্ত গৰাকীয়ে জনায় যে জিলাখনত এইবাৰ যোৱাবাৰৰ তুলনাত ২,৩৮১ গৰাকী ভোটাৰৰ সংখ্যা নতুনকৈ প্ৰকাশিত খচৰাত হ্ৰাস পাইছে। উল্লেখযোগ্য চলিত বৰ্ষৰ জানুৱাৰীত প্ৰকাশিত চূড়ান্ত তালিকা অনুসৰি বৰপেটা জিলাত মুঠ ভোটাৰৰ সংখ্যা আছিল ৯ লাখ ৩২ হাজাৰ ৬২৯ ।

উল্লেখযোগ্য যে সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ পাছত বৰপেটা জিলাৰ অন্তৰ্ভুক্ত বিধানসভা সমষ্টিকেইটা হ'ল বৰপেটা, মন্দিয়া, চেঙা আৰু পাকা বেতবাৰী। খচৰা তালিকাত বৰপেটাত ১ লাখ ৬৮ হাজাৰ ৭৫০ , মন্দিয়াত ২ লাখ ৬২ হাজাৰ ২৭৭ , চেঙাত ২ লাখ ৪০ হাজাৰ ১৫৩ আৰু পাকা বেতবাৰীত ২ লাখ ৫৯ হাজাৰ ৬৮ গৰাকী ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈছে।

অতিৰিক্ত আয়ুক্ত চেতিয়াই লগতে জনায় যে ৰাইজে কাইলৈৰ পৰা অহা ২৮ নবেম্বৰলৈ খচৰা ভোটাৰ তালিকাত কিবা ওজৰ আপত্তি থাকিলে দাখিল কৰিব পাৰিব। ২৪ ডিচেম্বৰত ওজৰ - আপত্তি নিষ্পত্তি কৰা হব। তাৰ পাছত অহাবছৰৰ ৬ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হব। খচৰা ভোটাৰ তালিকা প্ৰকাশক লৈ নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে অহা ৯, ১০, ১৬ আৰু ১৭ নবেম্বৰত বিশেষ সজাগতা অভিযানো চলোৱা হব। খচৰা ভোটাৰ তালিকা প্ৰকাশৰ সময়ত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিও উপস্থিত থাকে।

০০০০০০

হকী ইণ্ডিয়াই চলিত বৰ্ষৰ মহিলাৰ এছিয় চেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতাৰ বাবে ১৮ জনীয়া ভাৰতীয় দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত অহা মাহৰ ১১ৰ পৰা ২০ তাৰিখলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। হকী ইণ্ডিয়াৰ ঘোষণা অনুসৰি মিড ফিল্ডাৰ ছালিমা টেটেই বিগত বৰ্ষৰ বিজয়ী ভাৰতীয় দলটোক নেতৃত্ব দিয়াৰ বিপৰীতে ফৰৱাৰ্ড খেলুৱৈ নৱনীত কৌৰে উপ-অধিনায়কৰ দায়িত্ব পালন কৰিব।

প্ৰতিযোগিতাৰ প্ৰথম দিনটোত ভাৰতে মালয়েছিয়াৰ বিৰুদ্ধে খেলেৰে অভিযান আৰম্ভ কৰিব। ইয়াৰ পৰৱৰ্তী খেলসমূহত ঘৰুৱা দলটো ক্ৰমে চীন, জাপান, কোৰিয়া আৰু থাইলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলটো আজি তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব। খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাত এখনকৈ খেলত জয়ৰ মুখ দেখিছে। শৃংখলাৰ প্ৰথমখন খেলত ভাৰতীয় দলটো জয়ী হোৱাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটোৱে ৭৬ ৰানৰ ব্যৱধানত বিজয় সাব্যস্ত কৰিছিল।

০০০০০০০

**সমাপ্ত**